# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 08-06-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই কয়, যে বিকশিত ভাৰত ২০৪৭ৰ দৰ্শন জনসাধাৰণৰ অংশগ্ৰহণ, উদ্ভাৱন, উদ্যোগ আৰু সামূহিক সংকল্পৰ জৰিয়তেহে অনুধাৱন কৰিব পাৰি।

২। পশ্চিমবংগৰ ডিটেনচন কেন্দ্ৰসমূহৰ পৰা প্ৰায় ৪ হাজাৰ ৮০০ অবৈধ অনুপ্ৰৱেশকাৰীক বাংলাদেশলৈ ঘূৰাই পঠিওৱা হৈছে বুলি মুখ্যমন্ত্ৰী শুভেন্দু অধিকাৰীয়ে প্ৰকাশ কৰিছে।

৩। অহা ২১ জুনত হ'বলগীয়া নীট-ইউজিৰ বাবে পৰীক্ষা কেন্দ্ৰ থকা চহৰসমূহৰ নাম ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই প্ৰকাশ কৰিছে।

৪। ভূটানত যোৱানিশা ৰিখটাৰ স্কেলত ৫ দশমিক ৮ প্ৰাবল্যৰ ভূমিকম্পই জোকাৰি যায়।

*আৰু*

৫। ভাৰতৰ বিৰুদ্ধে টেষ্ট ক্ৰিকেটৰ প্ৰথম ইনিংছত আফগানিস্তানে কালি প্ৰথম দিনাৰ অন্তত সংগ্ৰহ কৰা ১১৩ ৰানৰ পৰা আজি তৃতীয় দিনৰ খেল আৰম্ভ কৰিব।

ooooo

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই কয়, যে বিকশিত ভাৰত ২০৪৭ৰ দৰ্শন জনসাধাৰণৰ অংশগ্ৰহণ, উদ্ভাৱন, উদ্যোগ আৰু সামূহিক সংকল্পৰ জৰিয়তেহে অনুধাৱন কৰিব পাৰি। নতুন দিল্লীত কালি এখন সন্মিলনত অংশ লৈ শ্ৰীবিৰলাই কয়, যে সমাজৰ প্ৰতিটো শ্ৰেণীৰ লোকৰ উন্নয়ন সুনিশ্চিত কৰাৰ বাবে উদ্যোগ আৰু ৰাষ্ট্ৰ নিৰ্মাণ একেসময়তে আগবাঢ়িব লাগিব। উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ দিশত ভাৰতৰ যাত্ৰা সৰ্বাংগীণ বিকাশ, সামাজিক দায়বদ্ধতা আৰু নাগৰিকৰ সক্ৰিয় অংশগ্ৰহণেৰে প্ৰভাৱান্বিত হোৱাটো প্ৰয়োজন বুলি লোকসভাৰ অধ্যক্ষগৰাকীয়ে প্ৰকাশ কৰে। দেশৰ ভৱিষ্যত নিৰ্মাণত যুৱচামৰ ভূমিকা সন্দৰ্ভত আলোকপাত কৰি শ্ৰীবিৰলাই কয়, যে শিক্ষিত, দক্ষতা সম্পন্ন আৰু প্ৰযুক্তিৰ জ্ঞান সম্বলিত যুৱচামে বিকশিত ভাৰত ২০৪৭ৰ মূল শক্তি গঢ়ি তুলিছে। তেওঁ যুৱপ্ৰজন্মক উদ্ভাৱন, কৃত্ৰিম বুদ্ধিমত্তা আৰু উন্নত প্ৰযুক্তিৰ সহায়েৰে ভাৰতক বিশ্বনেতা হিচাপে প্ৰতিষ্ঠা কৰাত অৰিহণা যোগাবলৈ আহ্বান জনায়।

ooooo

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই আজি চণ্ডীগড়ত কমনৱেল্‌থ সংসদীয় সংস্থা, চি পি এ-ৰ ZONE-2 সন্মিলন উদ্বোধন কৰিব। হাৰিয়ানা বিধানসভাই এই সন্মিলনৰ আয়োজন কৰিছে। ৰাজ্যসভাৰ উপ-সভাপতি হৰিবংশ, হাৰিয়ানাৰ মুখ্যমন্ত্ৰী নায়াৱ সিং ছাইনী, হাৰিয়ানা বিধানসভাৰ অধ্যক্ষ হৰবিন্দৰ কল্যান, দেশৰ ১৫ খন বিধানসভাৰ প্ৰিজাইডিং বিষয়া তথা বিধানসভাৰ সদস্যসকলে এই সন্মিলনত অংশগ্ৰহণ কৰিব। সন্মিলনৰ উদ্বোধনী অনুষ্ঠানত হাৰিয়ানা বিধানসভাৰ অধ্যক্ষ হৰবিন্দৰ কল্যানে ভাষণ দিব। অনুষ্ঠানত হাৰিয়ানাৰ ইতিহাস  আৰু বিকাশক সামৰি এখন বিশেষ তথ্যচিত্ৰ প্ৰদৰ্শন কৰা হ'ব। ইয়াৰ

পাছত লোকসভাৰ অধ্যক্ষ ওম বিৰলা, ৰাজ্যসভাৰ উপ-সভাপতি হৰিবংশ আৰু ৰাজ্যখনৰ মুখ্যমন্ত্ৰী নায়াব সিং ছাইনীয়ে ভাষণ দিব।

00000

পশ্চিমবংগৰ সীমান্ত জিলাত থকা ডিটেনচন কেন্দ্ৰসমূহৰ পৰা প্ৰায় ৪ হাজাৰ ৮০০ অবৈধ অনুপ্ৰৱেশকাৰীক বাংলাদেশলৈ ঘূৰাই পঠিওৱা হৈছে আৰু ৮৩৬ জন লোকক দেশান্তৰিত কৰাৰ বাবে ব্যৱস্থা লোৱা হৈছে। পশ্চিমবংগৰ মুখ্যমন্ত্ৰী শুভেন্দু অধিকাৰীয়ে এই কথা প্ৰকাশ কৰিছে। অবৈধ অনুপ্ৰৱেশকাৰী এটা বৃহৎ সমস্যা বুলি উল্লেখ কৰি শ্ৰীঅধিকাৰীয়ে কয়, যে তেওঁৰ চৰকাৰে ইতিমধ্যে ভাৰত-বাংলাদেশ সীমান্তৰ নিৰাপত্তাৰ বাবে প্ৰয়োজনীয় ৫৫৬ কিলোমিটাৰৰ ভিতৰত প্ৰায় ১০০ কিলোমিটাৰ সীমান্ত বেৰৰ বাবে বি এছ্‌ এফক ভূমি প্ৰদান কৰিছে। শ্ৰীঅধিকাৰীয়ে তেওঁৰ চৰকাৰে নাগৰিকত্ব সংশোধনী আইনৰ আওঁতাত নপৰা অবৈধ অনুপ্ৰৱেশকাৰীসকলৰ দেশান্তৰকৰণৰ কাম ইতিমধ্যে আৰম্ভ কৰিছে আৰু এই লোকসকলক পোনপটীয়াকৈ বি এছ্‌ এফৰ হাতত গতাই দিয়া হৈছে বুলি জানিবলৈ দিয়ে। ৰাজ্যখনত পূৰ্বৰ চৰকাৰখনে লোকপিয়লৰ কাম আৰম্ভ কৰা নাছিল বুলি অভিযোগ কৰি শ্ৰীঅধিকাৰীয়ে কয়, যে বিজেপি চৰকাৰে বৰ্তমান এই প্ৰক্ৰিয়া আৰম্ভ কৰিছে আৰু অহা ১ আগষ্টৰ পৰা ১৫ আগষ্টলৈ গৃহ পিয়ল কৰা হ'ব। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয়, যে বিজেপিয়ে নিৰ্বাচনৰ সময়ত দিয়া প্ৰতিশ্ৰুতি অনুসৰি ৰাজ্যখনৰ ৩০ লাখ মহিলাক অন্নপূৰ্ণ যোজনা আঁচনিৰ অধীনত ৩ হাজাৰ টকাকৈ প্ৰদান কৰিছে।

00000

ৰাজ্যসভাৰ নিৰ্বাচনৰ বাবে বিজেপিয়ে প্ৰাৰ্থীৰ আন এখন তালিকা প্ৰকাশ কৰিছে। দলটোৱে মধ্যপ্ৰদেশৰ পৰা মহেশ কেৱট আৰু কৰ্ণাটকৰ পৰা ড০ এম নাগাৰাজক প্ৰাৰ্থিত্ব দিছে। দলে লগতে কৰ্ণাটকৰ বিধান পৰিষদৰ নিৰ্বাচনৰ বাবে লিঙ্গৰাজ পাটিল আৰু ৰঘু কৌটিল্যৰ নাম ঘোষণা কৰিছে।

00000

অহা ২১ জুনত হ'বলগীয়া চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ ৰাষ্ট্ৰীয় যোগ্যতা আৰু প্ৰৱেশ পৰীক্ষা, নীট অনুষ্ঠিত হ'বলগীয়া চহৰসমূহৰ নাম ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই প্ৰকাশ কৰিছে। সংস্থাটোৱে জাৰি কৰা অধিসূচনা অনুসৰি ২১ জুনত দেশৰ ৫৫১ খন চহৰ আৰু বিদেশৰ ১৪ খন চহৰত বিয়লি ২ বজাৰ পৰা ৫ বাজি ১৫ মিনিটলৈ নীটৰ পুনৰ পৰীক্ষা অনুষ্ঠিত হ'ব। পৰীক্ষা হ'বলগীয়া চহৰৰ সূচনা পত্ৰখন প্ৰৱেশ পত্ৰ নহয় আৰু কেৱল পৰীক্ষাৰ্থীসকলক তেওঁলোকৰ পৰীক্ষা কেন্দ্ৰৰ বিষয়ে অৱগত কৰোৱাৰ বাবেহে এয়া প্ৰকাশ কৰা হৈছে বুলি ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই স্পষ্ট কৰি দিছে। সংস্থাটোৱে লগতে পৰীক্ষা আৰু প্ৰৱেশ পত্ৰৰ শেহতীয়া তথ্যৰ বাবে ইয়াৰ অফিচিয়েল ৱেবছাইট পৰীক্ষা কৰি থাকিবলৈ পৰীক্ষাৰ্থীসকলক আহ্বান জনাইছে।

উল্লেখযোগ্য যে চিকিৎসা বিজ্ঞানৰ পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে নীট-ইউজি যোৱা ৩ মে'ত অনুষ্ঠিত হৈছিল যদিও প্ৰশ্নকাকত ফাদিলৰ অভিযোগত ১২ মে'ত ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই নীট বাতিল কৰে। ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থাই সম্প্ৰতি বিষয়টো তদন্ত কৰি আছে।

00000

বিশ্বৰ সৰ্ববৃহৎ ৰাজহুৱা পুঁজিৰে চলি থকা স্বাস্থ্য নিশ্চয়তা আঁচনি— আয়ুষ্মান ভাৰত, প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা ৰূপায়ণ কৰা পশ্চিমবংগ ৩৬ সংখ্যক ৰাজ্য হিচাপে পৰিগণিত হ'ব। ৰাষ্ট্ৰীয় স্বাস্থ্য প্ৰাধিকৰণ আৰু পশ্চিমবংগ চৰকাৰে আজি ৰাজ্যখনত এ বি পি এম-জে এ ৱাই ৰূপায়ণৰ বাবে এখন

বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিব। এই চুক্তিখন কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডা আৰু পশ্চিমবংগৰ মুখ্যমন্ত্ৰী শুভেন্দু অধিকাৰীৰ উপস্থিতিত নতুন দিল্লীত স্বাক্ষৰ কৰা হ'ব এই উন্নয়নে সমগ্ৰ দেশৰ সকলো নাগৰিকৰ বাবে সমতাপূৰ্ণ আৰু সুলভ স্বাস্থ্য সেৱা লাভৰ দিশত এক মাইলৰ সুঁতি হিচাপে চিহ্নিত হ'ব। পশ্চিমবংগত এ বি পি এম-জে এ ৱাই ৰূপায়ণে ৰাজ্যখনৰ লাখ লাখ যোগ্য হিতাধিকাৰীক আৰ্থিক সুৰক্ষা প্ৰদান কৰাৰ লগতে গুণগত আৰু সুলভ মূল্যৰ স্বাস্থ্য সেৱাৰ সুবিধা বৃদ্ধি কৰি ৰাজ্যৰ স্বাস্থ্য খণ্ডৰ পৰিৱেশক শক্তিশালী কৰিব। এই আঁচনিয়ে যোগ্য হিতাধিকাৰীক মাধ্যমিক আৰু তৃতীয় পৰ্যায়ৰ চিকিৎসা, চিকিৎসালয়ত ভৰ্তিৰ বাবে প্ৰতিটো পৰিয়ালক প্ৰতিবছৰে ৫ লাখ টকাকৈ পৰ্যন্ত প্ৰদান কৰিব।

ooooo

ভূটানত যোৱানিশা ৰিখটাৰ স্কেলত ৫ দশমিক ৮ প্ৰাবল্যৰ ভূমিকম্পই জোকাৰি যায়। ৰাষ্ট্ৰীয় ভূইকঁপ কেন্দ্ৰৰ তথ্য অনুসৰি ভূটানৰ পুনাখা অঞ্চলৰ সমীপত ভূ-গৰ্ভৰ ২৬ কিলোমিটাৰ গভীৰত ভাৰতীয় সময় অনুসৰি ১১ বাজি ৬ মিনিটত এই ভূমিকম্পৰ জোকাৰণি অনুভূত হয়। ইয়াৰ পাছত ২ দশমিক ৮ আৰু ২ দশমিক ৪ প্ৰাবল্যৰ কেইবাটাও ভূমিকম্পই জোকাৰি যায় বুলি ৰাষ্ট্ৰীয় ভূইকঁপ কেন্দ্ৰৰ তথ্যত প্ৰকাশ পাইছে। ভূমিকম্পত কোনো ক্ষয়-ক্ষতি বা প্ৰাণহানিৰ বাতৰি পোৱা হোৱা নাই। ভূটানৰ ভূমিকম্পৰ জোকাৰণি ছিকিম, উত্তৰ বংগ আৰু অসমৰ বিভিন্ন ঠাইত অনুভূত হয়। ছিকিমত পৰিস্থিতি পৰ্যবেক্ষণ কৰি থকা হৈছে বুলি ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে প্ৰকাশ কৰিছে।

ooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে ইণ্ডোনেছিয়াক ভাৰতৰ এক্ট-ইষ্ট নীতিৰ গুৰুত্বপূৰ্ণ স্তম্ভ বুলি প্ৰকাশ কৰিছে। ইণ্ডোনেছিয়াৰ বিদেশ মন্ত্ৰী ছুগিঅ'ন' আৰু ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰৰ মাজত নতুন দিল্লীত কালি বৈঠক অনুষ্ঠিত হোৱাৰ পাছত মন্ত্ৰালয়ে এইদৰে প্ৰকাশ কৰে। মন্ত্ৰালয়ে কয়, যে গভীৰ সভ্যতাগত সম্পৰ্কেৰে শিপাই থকা ভাৰত-ইণ্ডোনেছিয়া ব্যাপক কৌশলগত অংশীদাৰিত্ব অধিক শক্তিশালী হৈছে আৰু নতুন নতুন ক্ষেত্ৰত সহযোগিতা বৃদ্ধি পাইছে। বিদেশ মন্ত্ৰী দুগৰাকীয়ে কালি অষ্টম ভাৰত-ইণ্ডোনেছিয়া যুটীয়া আয়োগৰ বৈঠকতো সহ-অধ্যক্ষতা কৰে। দুয়োগৰাকী নেতাই দ্বিপাক্ষিক সম্পৰ্কৰ পৰ্যালোচনা কৰাৰ লগতে ৰাজনৈতিক, প্ৰতিৰক্ষা আৰু নিৰাপত্তা, সামুদ্ৰিক, ব্যৱসায়, বাণিজ্য, ডিজিটেল, শক্তি, যোগাযোগ, মহাকাশ, শিক্ষা আদিকে ধৰি বিভিন্ন খণ্ডত ভৱিষ্যতে সহযোগিতা শক্তিশালী কৰাৰ সন্দৰ্ভতো আলোচনা কৰে।

ooooo

ভাৰত আৰু আফগানিস্তানৰ মাজত নিউ চণ্ডিগড়ত অনুষ্ঠিত টেষ্ট ক্ৰিকেটৰ প্ৰথম ইনিংছত আফগানিস্তানে কালি প্ৰথম দিনাৰ অন্তত ৫ উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ১১৩ ৰানৰ পৰা আজি তৃতীয় দিনৰ খেল আৰম্ভ কৰিব। দলটো সম্প্ৰতি ভাৰততকৈ ৪৫১ ৰানত পিছপৰি আছে। দলৰ হৈ ৰহমত শ্বাহে কালি ৪৩ ৰান কৰি আউট নোহোৱাকৈ থাকে। ভাৰতীয় দলত প্ৰথমবাৰৰ বাবে অন্তৰ্ভুক্ত হোৱা মানৱ চুথাৰে ৩টা উইকেট দখল কৰাৰ বিপৰীতে প্ৰসিদ্ধ কৃষ্ণাই দুটা উইকেট লাভ কৰে।

ইয়াৰ পূৰ্বে ভাৰতে কালি নিজৰ প্ৰথম ইনিংছৰ সামৰণিত ৮ উইকেটৰ বিনিময়ত ৫৬৪ ৰান সংগ্ৰহ কৰে। দলৰ হৈ অধিনায়ক সুভমন গীলে ১২৬ ৰান কৰাৰ লগতে কে এল ৰাহুলে ১০০ ৰান কৰে। ঋষভ পণ্ট আৰু সাই সুদৰ্শনে ৮১ ৰানকৈ বৰঙণি আগবঢ়ায়। ৱাশ্বিংটন সুন্দৰ ৫২ ৰান কৰি আউট নোহোৱাকৈ থাকে। আফগানিস্তানৰ চলিম ছাফিয়ে ৬টা উইকেট লাভ কৰে।

০০০০০

জাৰ্মানীৰ আলেকজেণ্ডাৰ জেবেৰেভে টেনিছত প্ৰথমবাৰৰ বাবে গ্ৰেণ্ড শ্লেমৰ খিতাপ দখল কৰে। ৰোলেণ্ড গাৰোছত অনুষ্ঠিত খেলখনত তেওঁ ইটালীৰ ফ্লেবিঅ' ক'ব'লিক ৫ ছেটত পৰাস্ত কৰি ফ্ৰেন্স অপেনৰ মুকুট অৰ্জন কৰে। বিশ্বৰ তৃতীয় নম্বৰ খেলুৱৈ আলেকজেণ্ডাৰে ফিলিপ চেত্ৰিয়েৰ কোৰ্টত অনুষ্ঠিত ৪ ঘণ্টা ২০ মিনিটৰ খেলখনত তেওঁৰ প্ৰতিদ্বন্দীক ৬-১, ৪-৬, ৬-৪, ৬-৭, ৬-১ ছেটত পৰাস্ত কৰে। ইয়াৰ আগেয়ে তেওঁ ২০২০ চনত ইউ এছ্ অপেন, ২০২৪ চনত ফ্ৰেন্স অপেন আৰু আৰু ২০২৫ চনত অষ্ট্ৰেলিয়ান অপেনত ৰাৰ্নাছ্আপৰ খিতাপ অৰ্জন কৰিছিল। ১৯৩৭ চনত হেনাৰ হেংকেলৰ পিছতে ফ্ৰেন্স অপেনত খিতাপ অৰ্জন কৰা ২৯ বছৰীয়া জেবেৰেভ প্ৰথমজন জাৰ্মানীৰ খেলুৱৈ হিচাপে পৰিগণিত হৈছে।

০০০০০

সমাপ্ত